# বিজ্ঞান বাৰ্তা

2024

# BIGYAN BARTA

## ASSAM SCIENCE SOCIETY

Vol-1 | Issue-6 | Nov – Dec | a Bimonthly newsletter




- কেন্দ্ৰীয় সমিতি আৰু শাখাৰ বা-বাতৰি

Phone :+9160013-99315 e-mail: gsass2014@gmail.com

BIGYAN BARTA

# TABLE OF CONTENTS


Editorial ............................................. 01
Inspiring teaching......................................02
Bhasa Gaurav Utsob.....................................03
Obituary ..............................................05
Shisu Divas............................................07
Debating competition...................................07
Worlds Aids day .......................................08
Awareness campaign against superstitions...............09
Short news ............................................12
State executive meeting................................13
Special class on Mathematics...........................14
Bijyan Anusandhan......... ......... ...............15
Pay Homage.............................................18
Prize money competition................. .........20
Awareness campaign for wetland and avian...............20


## EDITORIAL BOARD


**Advisors :**
Kshiradhar Baruah
Basanta Deka
Dr. Abani Kumar Bhagabati
Dr. Jaideep Baruah
Abhijit Sarma Borua







**Chief Editor :**
Nirud Kumar Borah

**Editor :**
Pankaj Kumar Boruah

**Members:**
Bhupen Sarma
Dr. Kandarpa Kr. Sarma
Hiranya Kr. Nath
Pradip Mahanta






**Graphics and design:**
Nirud Kumar Borah



**Publisher :**
Mrinal Kumar Hazarika
Secretary, Assam Science Society,
Khanapara,
Jawahar Nagar, Guwahati 781022

BIGYAN BARTA

২০২৪ চনৰপৰা প্ৰকাশিত

EDITORIAL বিজ্ঞান বাৰ্তা

VOL-1-,-ISSUE 6::, NOVEMBER-DECEMBER , A BIMONTHLY NEWS LETTER

বৰ্ষ ১ ঃ ৬ষ্ঠ সংখ্যা ঃ নবেম্বৰ-ডিচেম্বৰ ২০২৪

# সম্পাদকীয়

অসম বিজ্ঞান সমিতিৰ দুমহীয়া ই আলোচনী ই-বাৰ্তাৰ ষষ্ঠ সংখ্যালৈ সকলোকে স্বাগতম জনাইছো। যোৱা দুমাহত অসমৰ বিভিন্ন শাখাই কেবাটাও উল্লেখযোগ্য কাৰ্যসূচী সম্পন্ন কৰে । তাৰ ভিতৰত অনুপ্ৰেৰণা মুলক পাঠদান, ভাষা গৌৰৱ সপ্তাহ, বাটৰ নাট প্ৰদৰ্শন , ছাত্ৰ ছাত্ৰীৰ সৈতে মত বিনিময়, এইডছ দিৱস পালন, অন্ধবিশ্বাসৰ বিৰূদ্ধে সজাগতা সভাৰ আয়োজন, গণিত বিষয়ৰ বিশেষ পাঠদান, পক্ষী সংৰক্ষণ আদি বিভিন্ন কাৰ্যসূচী পালন কৰা হয়। বিজ্ঞানৰ অবিৰত যাত্ৰাত আমিও সমানে খোজ মিলাই আগ বাঢ়ি যাবই লাগিব। অসম বিজ্ঞান সমিতিৰ সভ্য সকলে নিজৰ সুখ দুখৰ কথা নাভাবি, সমাজ খন আগুৱাই লৈ যোৱাৰ স্বাৰ্থতে কাম কৰি আছে। ইয়াৰ প্ৰমাণ ই - বাৰ্তাৰ প্ৰতিটো পৃষ্ঠাতে উপলব্ধ হৈ আছে। বিজ্ঞান প্ৰসাৰৰ এই কামত নিয়োজিত সকলো বিজ্ঞান কৰ্মীলৈ এই আপাহতে সম্পাদনা কক্ষৰ পৰা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন প্ৰধান সচিব, প্ৰাক্তন সভাপতি অসম তথা ভাৰতত বিজ্ঞান জনপ্ৰিয় কৰণৰ অন্যতম কান্ধাৰী, অসম বিজ্ঞান সমিতিৰ পিতামহ স্বৰূপ আমাৰ আটাইৰে শ্ৰদ্ধাৰ ডক্তৰ অনিল কুমাৰ গোস্বামী চাৰ . তেখেতৰ বিষয়ে আৰু অধিক জানো আহক।

অসম বিজ্ঞান সমিতিৰ কাম কাজে সমাজৰ প্ৰতিটো স্তৰৰেই উন্নতি সাধন কৰক এই আশাৰে , এই সংখ্যাটি.আপোনালোকলৈ আগবঢ়ালো।

বিজ্ঞান বাৰ্তা লৈ আপোনালোক প্ৰত্যেক সদস্যই মন্তব্য/ পৰামৰ্শ পঠিয়ালে আমি আৰু অধিক উৎসাহ লভিম।

অসম বিজ্ঞান সমিতি আৰু আগুৱাই যাওক তাৰেই আশাৰে,-

শ্ৰদ্ধাৰে,
নিৰোদ কুমাৰ বৰা
পংকজ কুমাৰ বৰুৱা







Published by : General Secretary, Assam Science Society, Khanapara, Jawahar Nagar, Guwahati 781022, Assam

# অনুপ্ৰেৰণামূলক পাঠদান

অসম বিজ্ঞান সমিতি, দেৰগাঁও শাখাৰ উদ্যোগত নতুন ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ আধাৰত ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক বিষয়ৰ খোকাজা লগা বিষয়সমূহ সম্পৰ্কত 'অনুপ্ৰেৰণামূলক পাঠদান' কাৰ্যসূচী বাহগুৰি উদয়ন জনজাতি উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আজি আৰম্ভ কৰা হয়। সহকাৰী সম্পাদক মৃগেন বৰাৰ ব্যৱস্থাপনাত অনুষ্ঠিত আৰম্ভণী অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষা খীৰমণি সোনেৱাল উপস্থিত থাকে। সম্পাদক ড০ সঞ্জয় কুমাৰ হাজৰিকাই এই কাৰ্যসূচীৰ উদ্দেশ্য ব্যাখ্যা কৰে। আজি ড০ মনোজ জ্যোতি হাজৰিকা আৰু বিজিত ৰনজন শইকীয়া ছাৰে পাঠদান কৰে।









# উত্তৰ গুৱাহাটী শাখাৰ ভাষা গৌৰৱ সপ্তাহ পালন

অসম চৰকাৰৰ পৰামৰ্শ অনুসৰি যোৱা ৩ নৱেম্বৰৰ পৰা ৯ নবেম্বৰলৈ ভাষা গৌৰৱ সপ্তাহ পালন কৰা হেতু আজি অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাই উত্তৰ গুৱাহাটী ছোৱালী হাইস্কুলৰ সহযোগত এখনি বক্তৃতা অনুষ্ঠানৰ আয়োজন কৰে। প্ৰথমে আনন্দৰাম বৰুৱা ভাষা - কলা সংস্কৃতিৰ অধ্যাপক ড.ভাস্কৰজ্যোতি শৰ্মাই তেখেতৰ বক্তৃতাত ধ্ৰুপদী ভাষানো কি আৰু অসমীয়া ভাষাই কেনেদৰে ধ্ৰুপদী ভাষাৰ মৰ্যাদা পাবলৈ সক্ষম হল আৰু তেখেত নিজে কেনেদৰে সেই কাৰ্য্যত প্ৰতক্ষ ভাৱে জৰিত হৈছিল তাৰে বিশদ তথ্য ছাত্ৰ - ছাত্ৰী, শিক্ষক - শিক্ষয়িত্ৰী আৰু উপস্থিত সদস্য সকলৰ মাজত দাঙি ধৰে। তাৰ পিছত অসম বিজ্ঞান সমিতি, উত্তৰ গুৱাহাটী শাখাৰ সভাপতি থানেশ্বৰ শৰ্মাই আঁত ধৰা বক্তৃতা অনুষ্ঠানত "অসমীয়া ভাষাৰ উন্নতিৰ বাবে আমাৰ কৰণীয়" শীৰ্ষক বিষয়ত উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড. শিখাৰাণী কাকতিয়ে অসমীয়া ভাষাৰ মৌলিকতাৰ উপৰত আলোকপাত কৰি ছাত্ৰ - ছাত্ৰী সকলক ভবিষ্যতে ভাষাৰ শুদ্ধ ব্যবহাৰ কৰি ভাষাটোক চহকী কৰিবলৈ উদগনি দিয়ে। বক্তৃতা অনুষ্ঠানত সভাপতি থানেশ্বৰ শৰ্মা, আজীৱন সদস্য পাৰ্থ প্ৰতীম বৰকাকতি, উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ ইংৰাজী বিভাগৰ অধ্যাপিকা ড. মালচী চৌধুৰীয়ে ছাত্ৰ ছাত্ৰী সকলক অসমীয়া ভাষাৰ চৰম দূৰৱস্থাৰ পৰা কেনেদৰে উন্নতিৰ হকে মহাপুৰুষ শংকৰদেৱ, মাধৱদেৱ, অসমীয়া ভাষা উন্নতি সাধিনী সভা, অসম প্ৰকাশন পৰিষদ, অসম সাহিত্য সভা, আমেৰিকান পাদুৰী চাহাব সকলে অৱদান দিছে তাৰে উপৰত আলোকপাত কৰে আৰু ভাষাৰ বাবে জীৱন আহুতি দিয়া ৰঞ্জিত বৰপূজাৰী,








মজামিল হক, অনিল বৰুৱাক শ্ৰদ্ধাৰে স্মৰণ কৰে শেষত অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদানৰ ক্ষেত্ৰত ভাৰত চৰকাৰ আৰু অসম চৰকাৰে লোৱা ব্যৱস্থাৰ বাবে ভূয়সী প্ৰসংশা কৰে আৰু ধন্যবাদ সূচক প্ৰস্তাৱ লয় আৰু প্ৰস্তাৱৰ সমৰ্থক সকলৰ স্বাক্ষৰ সংগ্ৰহ কৰে। পাছত বিজ্ঞান সমিতিয়ে আউনীআটী কমল দেৱ উচ্চতৰ মাধ্যমিক বিদ্যালয়তো সদৃশ বক্তৃতা অনুষ্ঠান পাতে আৰু ছাত্ৰ - ছাত্ৰী সকলক দৈনন্দিন কথোপকথনত অসমীয়া ভাষা শুদ্ধকৈ লিখিবলৈ আৰু কবলৈ যত্নবান হবলৈ প্ৰয়াস কৰাৰ বাবে উপদেশ দিয়ে।বক্তৃতা অনুষ্ঠানত অসম বিজ্ঞান সমিতিৰ হৈ সৰ্বশ্ৰী থানেশ্বৰ শৰ্মা(সভাপতি), প্ৰভাত শৰ্মা (কাৰ্যকৰী সভাপতি), কুসুম মহন্ত ( উপসভাপতি) ড. মালচী চৌধুৰী(যুটীয়া সম্পাদিকা), পাৰ্থ প্ৰতীম বৰকাকতি (আজীৱন সদস্য), নিৰ্মালি শইকীয়া (আজীৱন সদস্যা),টুনীপ্ৰিয়া দেৱী (আজীৱন সদস্যা) উপস্থিত থাকে।বক্তৃতা অনুষ্ঠানৰ দুই এটা আলোকচিত্ৰ সংলগ্ন কৰা হল।




৪ নবেম্বৰ, ২০২৪ তাৰিখে স্থানীয় ল'টাচ একাডেমীত অসম বিজ্ঞান সমিতি, ডুমডুমা শাখাৰদ্বাৰা আয়োজিত "ভাষা গৌৰৱ সপ্তাহ উদযাপন" সভাত ধ্ৰুপদী ভাষাৰ মৰ্য্যাদা পোৱা অসমীয়া ভাষাৰ গুৰিয়াল তথা দিকপালসকল তথা প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়ালৈ কৃতজ্ঞতা জ্ঞাপন দুটি প্ৰস্তাৱ সহ প্ৰধানমন্ত্ৰী ডাঙৰীয়লৈ ধন্যবাদ সূচক পত্ৰখন আজি ৮ নবেম্বৰ, ২০২৪ তাৰিখ শুকুৰবাৰে ডুমডুমা সমজিলা আয়ুক্তৰ কাৰ্য্যালয়ত আয়ুক্ত নুজহত নাচৰীনৰ নিৰ্দেশ মৰ্মে সভানেত্ৰী ড০ মীনা দেৱী বৰুৱা তথা সম্পাদক ধীৰেন ডেকাই সহকাৰী সম্পাদক ৰুণুমণি দত্ত ভূঞা, সভ্যাদ্বয় দিপালী শইকীয়া আৰু আৰতি চৰকাৰ সোণোৱালৰ উপস্থিতিত প্ৰদান কৰে


## ডুমডুমা শাখাৰদ্বাৰা আয়োজিত

## "ভাষা গৌৰৱ সপ্তাহ উদযাপন"






# শোক প্ৰকাশ



স্থাপিত : ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীভুক্ত

অসম বিজ্ঞান সমিতি
ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ১৪ নৱেম্বৰ, ২০২৪

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ আজীৱন সদস্য, বিশিষ্ট গণিতজ্ঞ তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ গণিত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক ড০ বুদ্ধ প্ৰসাদ চেতিয়াৰ যোৱা ১৩ নৱেম্বৰ, ২০২৪ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।


সমিতিয়ে অধ্যাপক ড০ চেতিয়াৰ বিয়োগত অসমৰ শিক্ষা তথা সামাজিক ক্ষেত্ৰখনৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। গণিতৰ ক্ষেত্ৰখনলৈ অধ্যাপক চেতিয়াই আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ড০ ধীৰেশ্বৰ কলিতা)
সভাপতি

(মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation of Science



স্থাপিত : ১৯৫৩
Estd. : 1953

২১ নম্বৰ আইন (১৮৬০) ৰ অধীনত পঞ্জীভুক্ত

অসম বিজ্ঞান সমিতি
ASSAM SCIENCE SOCIETY

(Regd. Under Societies Registration Act XXI of 1860. Regd No. 49 of 1960-61)
Head Office : Jawaharnagar, Khanapara, Guwahati - 781022, Assam, India
☎ : (0361) 2363258, E-mail : gsass2014@gmail.com

অসম বিজ্ঞান সমিতিৰ শোক প্ৰকাশ

গুৱাহাটী, ১৪ নৱেম্বৰ, ২০২৪

অসম বিজ্ঞান সমিতিয়ে সমিতিৰ যোৰহাট শাখাৰ আজীৱন সদস্য তথা অসমৰ বিশিষ্ট বিজ্ঞানী, CSIR NEIST, যোৰহাটৰ অৱসৰপ্ৰাপ্ত মুখ্য বিজ্ঞানী ড০ নলীন বৰঠাকুৰৰ যোৱা ১৩ নৱেম্বৰ, ২০২৪ তাৰিখে হোৱা আকস্মিক বিয়োগত গভীৰ শোক প্ৰকাশ কৰে।

সমিতিয়ে বিজ্ঞানী ড০ বৰঠাকুৰৰ বিয়োগত অসমৰ বিজ্ঞান আৰু প্ৰযুক্তি তথা সামাজিক ক্ষেত্ৰখনৰ অপূৰণীয় ক্ষতি বুলি অনুভৱ কৰে। বিজ্ঞানৰ ক্ষেত্ৰখনলৈ ড০ বৰঠাকুৰে আগবঢ়োৱা অৱদানৰ কথা সমিতিয়ে শ্ৰদ্ধাৰে সোঁৱৰে আৰু শোক-সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

(ড০ ধীৰেশ্বৰ কলিতা)
সভাপতি

(মৃণাল কুমাৰ হাজৰিকা)
প্ৰধান সচিব

অসম বিজ্ঞান সমিতি

Recipient of NCSTC'S National Award 1990 for popularisation of Science

কালি সন্ধিয়া ছয় বজাত, বৰপেটাৰ মাধৱ চৌধুৰী মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান প্ৰাক্তন শিক্ষক তথা বিভাগীয় মুৰব্বী কবীন্দ্ৰ নাথ দাস ছাৰৰ পৰলোকপ্ৰাপ্তি হয়।তেখেত অসম বিজ্ঞান সমিতি, বৰপেটা শাখাৰ প্ৰাক্তন সম্পাদক আৰু সভাপতিও আছিল।দাস ছাৰে উদ্ভিদ বিজ্ঞান আৰু পৰিৱেশ বিষয়ক কেবাখনো গ্ৰন্থ লিখিছিল।তদুপৰি বিজ্ঞান জেউতিটো তেখেতে বহুত নিবন্ধ লিখি থৈ গৈছে।অসম সাহিত্য সভাই প্ৰকাশ কৰা বিশ্বকোষৰ বিজ্ঞান বিষয়ক অধ্যায়তো তেখেতৰ বৰঙণি লেখত ল'বলগীয়া।দাস ছাৰে মৃত্যুৰ সময়লৈকে, বিজ্ঞান সমিতিৰ উপৰিও বৰপেটাৰ বহু সামাজিক অনুষ্ঠানৰ লগত জড়িত হৈ সেৱা আবঢ়াইছিল।ছাৰৰ মৃত্যুত আমি গভীৰ শোক প্ৰকাশ কৰাৰ লগতে তেখেতৰ পৰিয়ালটিলৈও আমাৰ সমবেদনা জনালোঁ।

Dr Naleen Borthakur, Chief Scientist (retd) of CSIR NEIST Jorhat passed away tomorrow in the morning. He was a life member of Assam Science Society Jorhat Branch (Membership No. L -Jor 0007).It is a great loss for the scientific community and the society as well .May his soul rest in eternal peace.SecretaryAssam Science
Society Jorhat Branch.

## অসম বিজ্ঞান সমিতি, দেৰগাঁও শাখা

# শিশু দিৱস

### বিজ্ঞান জনজনমুখীকৰণৰ বাবে অভিৰোচনমূলক কাৰ্যসূচী







### বিজ্ঞান জনজনমুখীকৰণৰ বাবে অভিৰোচনমূলক কাৰ্যসূচী

## বাটৰ নাট প্ৰদৰ্শন আৰু ছাত্ৰ-ছাত্ৰীৰ সৈতে মত বিনিময়

**স্থান ঃ মিছামৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়**

**দিনাংক ঃ ১৪ নৱেম্বৰ, ২০২৪ খ্ৰীষ্টাব্দ**









# সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা














## ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সদৌ অসম ভিত্তিত তৰ্ক প্ৰতিযোগিতা সম্পন্ন

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ২৮ নৱেম্বৰ ঃ অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাই কানৈ মহাবিদ্যালয়ৰ সহযোগত সদৌ অসম ভিত্তিত ড' নিলোফাৰ ৰহমান শইকীয়া আন্তঃকলেজ প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতাখনি কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত আজি (২৮-১১-২৪) সম্পন্ন কৰে। প্ৰয়াত নিলোফাৰ ৰহমান শইকীয়াৰ পৰিয়ালৰ আৰ্থিক সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাৰ আৰম্ভণি উদ্বোধনি অনুষ্ঠানেৰে কৰা হয়। অনুষ্ঠানত সভাপতিত্ব কৰে ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ড০ ভাৰতী দত্তই। সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতে প্ৰয়াত নিলোফাৰ ৰহমানৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে তেখেতৰ স্বামী অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা চফিউৰ ৰহমান শইকীয়াই। তেঁওৰ পত্নী এগৰাকী পদাৰ্থ বিজ্ঞানী, লাহোৱাল পলিটেকনিকৰ অধ্যাপিকাৰ সোঁৱৰণত শইকীয়াই দুআষাৰ আবেগিক বক্তব্য আগবঢ়ায়। সভাপতিৰ মন্তব্যত ড০ভাৰতী দত্তই অকালতে মৃত্যু বৰণ কৰা ব্যক্তিগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰি বক্তব্য আগবঢ়ায় আৰু লগতে এই ধৰণৰ তৰ্ক প্ৰতিযোগিতাই নৱ প্ৰজন্মৰ বিজ্ঞান মনস্কতা গঢ়ি তোলাত সহায় হ'ব বুলি কয়। ইয়াৰ আগতে নিলোফাৰ ৰহমানৰ এক চমু পৰিচয় আগবঢ়ায় সুদক্ষিণা দাসে। কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামীয়ে নিলোফাৰ ৰহমানৰ সৈতে তেখেতৰ সান্নিধ্যৰ কথা সোঁৱৰে। শলাগৰ শৰাই আগবঢ়াই ড০চুলতানা হাজৰিকাই। এগছি বন্তি প্ৰজ্বলনেৰে প্ৰতিযোগিতা উদ্বোধন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কলাগুৰু, গণিত বিভাগৰ প্ৰাধ্যাপক ড০ সুৰজিৎ বৰকটকীয়ে সাম্প্ৰতিক সময়ত বিজ্ঞান প্ৰযুক্তিৰ প্ৰাসংগিকতাৰ ওপৰত এক চমু, মননশীল বক্তৃতা দিয়ে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিযোগীৰে অনুষ্ঠিত প্ৰতিযোগিতাখনিৰ আঁত ধৰে সমিতিৰ উপসভাপতি ড০ ৰঞ্জিত সিংহই। তৰ্ক প্ৰতিযোগিতাৰ বিচাৰকৰ আসন গ্ৰহণ কৰে জ্যেষ্ঠ সাংবাদিক ইকবাল আহমেদ, পৰিমল ভট্টাচাৰ্য, সুদেৱ গোস্বামীয়ে। আনহাতে তৰ্ক প্ৰতিযোগিতাৰ অধ্যক্ষৰ আসনত উপবিষ্ট হয় ৰুমা ফুকন। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে ড০ ভাৰতী দত্তই। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে উৎপলজ্যোতি বৰা (ডিব্ৰুগড় বিশ্ববিদ্যালয়), দ্বিতীয় স্থান খ্ৰীষ্টফাৰ নন্দ (কানৈ কলেজ), তৃতীয় স্থান লাভ কৰে সুমিত শৰ্মা (জে বি আইন মহাবিদ্যালয়, গুৱাহাটী)। তৰ্ক প্ৰতিযোগিতাত প্ৰথম গৰাকীয়ে লাভ কৰে নগদ ৮,০০০/-টকা, দ্বিতীয় গৰাকীয়ে ৬,০০০/- আৰু তৃতীয় গৰাকীয়ে লাভ কৰে নগদ ৪,০০০/-টকা। বঁটা বিতৰণী সভাত অনুভৱ ব্যক্ত কৰি ভাষণ প্ৰদান কৰে ড০ পৰমানন্দ মহন্ত, ড০ গোপাল হাজৰিকা, ড০ কমলেশ্বৰ দত্ত, ড০ প্ৰাতসলতা বুঢ়াগোহাঁয়ে। সভাত বুজন সংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে প্ৰয়াত নিলোফাৰ ৰহমানৰ পৰিয়ালৰ হৈ ভগ্নিদ্বয়, ভনী জোঁৱাই জামছেদ খানো উপস্থিত থাকে। সভাৰ অন্তত শলাগ জ্ঞাপন কৰে সমিতিৰ সম্পাদক নাছিৰ চুলতানে।




সম্পাদক ঋষিকেশ তামুলীয়ে বন্তি প্ৰজ্বলনেৰে

## ডিব্ৰুগড় বিজ্ঞান সমিতিৰ আন্তঃকলেজ তৰ্ক প্ৰতিযোগিতা

ডিব্ৰুগড়, ২৮ নৱেম্বৰ ঃ অসম বিজ্ঞান সমিতি, ডিব্ৰুগড় শাখাই কানৈ মহাবিদ্যালয়ৰ সহযোগত সদৌ অসমভিত্তিত ড০ নিলোফাৰ ৰহমান শইকীয়া আন্তঃকলেজ প্ৰাইজমানি তৰ্ক প্ৰতিযোগিতাখনি কানৈ মহাবিদ্যালয়ৰ শংকৰদেৱ সভাকক্ষত আজি সম্পন্ন কৰে। প্ৰয়াত নিলোফাৰ ৰহমান শইকীয়াৰ পৰিয়ালৰ আৰ্থিক সহযোগত অনুষ্ঠিত প্ৰতিযোগিতাৰ আৰম্ভণি উদ্বোধনী অনুষ্ঠানেৰে কৰা হয়। অনুষ্ঠানত সভাপতিত্ব কৰে ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ড০ ভাৰতী দত্তই। সম্পাদক নাছিৰ চুলতানে উদ্দেশ্য ব্যাখ্যা কৰাৰ পিছতে প্ৰয়াত নিলোফাৰ ৰহমানৰ প্ৰতিচ্ছবিৰ সমুখত বন্তি প্ৰজ্বলন কৰে তেওঁৰ স্বামী অৱসৰপ্ৰাপ্ত মুখ্য অভিযন্তা চফিউৰ ৰহমান শইকীয়াই। তেঁওৰ পত্নী এগৰাকী পদাৰ্থ বিজ্ঞানী, লাহোৱাল পলিটেকনিকৰ অধ্যাপিকাৰ সোঁৱৰণত শইকীয়াই দুআষাৰ আবেগিক বক্তব্য আগবঢ়ায়। সভাপতিৰ মন্তব্যত ড০ ভাৰতী দত্তই অকালতে মৃত্যুবৰণ কৰা ব্যক্তিগৰাকীৰ প্ৰতি শ্ৰদ্ধাঞ্জলি নিবেদন কৰি বক্তব্য আগবঢ়ায় আৰু লগতে এই ধৰণৰ তৰ্ক প্ৰতিযোগিতাই নৱপ্ৰজন্মৰ বিজ্ঞান মনস্কতা গঢ়ি তোলাত সহায় হ'ব বুলি কয়। ইয়াৰ আগতে নিলোফাৰ ৰহমানৰ এক চমু পৰিচয় আগবঢ়ায় সুদক্ষিণা দাসে। কানৈ মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ প্ৰিয়দেৱ গোস্বামীয়ে নিলোফাৰ ৰহমানৰ সৈতে তেওঁৰ সান্নিধ্যৰ কথা সোঁৱৰে। শলাগৰ শৰাই আগবঢ়ায় ড০ চুলতানা হাজৰিকাই। এগছি বন্তি প্ৰজ্বলনেৰে প্ৰতিযোগিতা উদ্বোধন কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ কলাগুৰু, গণিত বিভাগৰ প্ৰাধ্যাপক ড০ সুৰজিৎ বৰকটকীয়ে সাম্প্ৰতিক সময়ত বিজ্ঞান প্ৰযুক্তিৰ প্ৰাসংগিকতাৰ ওপৰত এক চমু, মননশীল বক্তৃতা দিয়ে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা প্ৰতিযোগীৰে অনুষ্ঠিত প্ৰতিযোগিতাখনিৰ আঁত ধৰে সমিতিৰ উপ-সভাপতি ড০ ৰঞ্জিত সিংহই। তৰ্ক প্ৰতিযোগিতাৰ বিচাৰকৰ আসন গ্ৰহণ কৰে জ্যেষ্ঠ সাংবাদিক ইকবাল আহমেদ, পৰিমল ভট্টাচাৰ্য, সুদেৱ গোস্বামীয়ে। আনহাতে, তৰ্ক প্ৰতিযোগিতাৰ অধ্যক্ষৰ আসনত উপবিষ্ট হয় ৰুমা ফুকন। প্ৰতিযোগিতাৰ অন্তত অনুষ্ঠিত বঁটা বিতৰণী সভাত সভাপতিত্ব কৰে ড০ ভাৰতী দত্তই। প্ৰতিযোগিতাত প্ৰথম স্থান লাভ কৰে উৎপলজ্যোতি বৰা (ডিব্ৰুগড় বিশ্ববিদ্যালয়), দ্বিতীয় স্থান খ্ৰীষ্টফাৰ নন্দ (কানৈ কলেজ), তৃতীয় স্থান লাভ কৰে সুমিত শৰ্মা (জে বি আইন মহাবিদ্যালয়, গুৱাহাটী)। তৰ্ক প্ৰতিযোগিতাত প্ৰথম গৰাকীয়ে লাভ কৰে নগদ ৮,০০০ টকা, দ্বিতীয় গৰাকীয়ে ৬,০০০ আৰু তৃতীয় গৰাকীয়ে লাভ কৰে নগদ ৪,০০০ টকা। বঁটা বিতৰ... সভাত অনুভৱ ব্যক্ত কৰি ভাষণ প্ৰদান কৰে ... পৰমানন্দ মহন্ত, ড০ গোপাল হাজৰিকা, ... কমলেশ্বৰ দত্ত, ড০ প্ৰাতসলতা বুঢ়াগোহাঁয়ে। সভ... বুজন সংখ্যক বিশিষ্ট ব্যক্তিৰ লগতে প্ৰয়াত নিলো... ৰহমানৰ পৰিয়ালৰ হৈ ভগ্নিদ্বয়, ভনী-জোঁ... জামছেদ খানো উপস্থিত থাকে। সভাৰ অন্তত শ... জ্ঞাপন কৰে সমিতিৰ সম্পাদক নাছিৰ চুলতা...

# বিশ্ব এইডছ দিৱস পালন




**অসম বিজ্ঞান সমিতি ডিগবৈ শাখাৰ** দ্বাৰা বিশ্ব এইডছ দিৱস পালনআজি ইংৰাজী১ ডিচেম্বৰ ২০২৪ তাৰিখে ডিগবৈ মহাবিদ্যালয় প্ৰাঙ্গনত ৰাতিপুৱা ১০ বজাৰ পৰা ১১ বজালৈ "বিশ্ব এইডছ দিৱস" পালন কৰা হয়। এই অনুষ্ঠানটো অসম বিজ্ঞান সমিতি, ডিগবৈ শাখা উদ্যোগত আৰু প্ৰাণী বিজ্ঞান বিভাগ, IQAC ডিগবৈ মহাবিদ্যালয় ( স্বায়ত্ব শাসিত) সহযোগত অনুষ্ঠিত হয়। অনুষ্ঠানটোৰ আৰম্ভনিতে আদৰণি ভাষণ প্ৰদান কৰে অসম বিজ্ঞান সমিতি ডিগবৈ শাখাৰ সভাপতি ড০ অৰুণ চন্দ্ৰ শৰ্মা ছাৰে । এই অনুষ্ঠানৰ লগত সংগতি এখনি এইডছ বিষয়ক আলোচনা ড০ কিশোৰ হালৈ, সহকাৰী অধ্যাপক, প্ৰাণী বিজ্ঞান বিভাগ, য়ে প্ৰদান কৰে । অনুষ্ঠানটোত দুলুমনি দাস, সহকাৰী অধ্যাপক, উদ্ভিদ বিজ্ঞান বিভাগ, ড০ কানাই দাস, সহকাৰী অধ্যাপক, বেংগলী বিভাগ উপস্থিত থাকি সভাখনৰ সৌষ্ঠৱ বৃদ্ধি কৰে






# অন্ধবিশ্বাসৰ বিৰুদ্ধে সজাগতা সভা

**আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ আৰু অসম বিজ্ঞান সমিতি মৰিগাঁও শাখাৰ সহযোগত মৰিগাঁও জিলাৰ দহটা স্থানত অন্ধবিশ্বাসৰ বিৰুদ্ধে সম্পন্ন সভা কৰা হৈছে**

৫ম খন সজাগতা সভা # বাৰপূজীয়া চৰকাৰী মজলীয়া বিদ্যালয় ০৫/১২/২০২৪











# অন্ধবিশ্বাসৰ বিৰুদ্ধে সজাগতা সভা

৬ষ্ঠ খন সজাগতা সভা স্হান - পটুৱাকটা মজলীয়া বিদ্যালয় তাৰিখ : 6-12-2024









৭ম খন সজাগতা সভা স্হান - বৰচকাবাহা আঞ্চলিক মাধ্যমিক বিদ্যালয় তাৰিখ - 7-12-2024









## ৮ম খন সজাগতা সভা স্হান - বেজবৰুৱা আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় তাৰিখ - 9-12-2024











## ৯ম খন সজাগতা সভা স্হান - জালুগুটি গাৰ্লচ একাডেমী মধ্য ইংৰাজী বিদ্যালয় তাৰিখ১০/১২/২০২৪





## ১০ম খন সজাগতা সভা স্হান - চৰাইবাহী আঞ্চলিক মাধ্যমিক বিদ্যালয় তাৰিখ :14-12-2025





## "পৰিৱেশ মিত্ৰ" বটা

অসমত বিজ্ঞানৰ  প্ৰচাৰ আৰু প্ৰসাৰৰ লগতে ৰাজ্য খনক এইদিশত দেশৰ ভিতৰতেই উল্লেখনীয় মাত্ৰাত অধিষ্ঠিত কৰা,অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন প্ৰধান সচিব আৰু প্ৰাক্তন সভাপতি ড অনিল গোস্বামী চাৰ অসম চৰকাৰৰ "পৰিৱেশ মিত্ৰ" বটাৰ বাবে নিৰ্বাচিত হোৱাৰ খবৰে সমিতিৰ বৃহৎ পৰিয়াল টোৰ বাবে অতিশয় আনন্দৰ খবৰ । তাৰ বাবেঅসম বিজ্ঞান প্ৰযুক্তি বিদ্যা আৰু পৰিৱেশ পৰিষদক  ধন্যবাদ জনাইছোঁ








অসম বিজ্ঞান সমিতির মেধা পরীক্ষা সম্পন্ন হাইলাকান্দিতে

**নববার্তা প্রতিনিধি, হাইলাকান্দি, ১৪ নভেম্বর :** অন্যান্য বছরের মতো এবারও হাইলাকান্দিতে অসম বিজ্ঞান সমিতির ২২তম সায়েন্স মেরিট টেস্ট পরীক্ষা অনুষ্ঠিত হয়।এবছর সায়েন্স মেরিট টেস্ট পরীক্ষায় ৬৩২ জন ছাত্র-ছাত্রী অংশগ্রহণ করে। এবার তিনটি সেন্টারে পরীক্ষা হয়।

এরমধ্যে শ্রীকিষণ সারদা কলেজের সেন্টারে ৪৮৮ জন শিক্ষার্থী, এমএ জুনিয়র কলেজ লালা সেন্টারে ৮১ জন ও কৈয়া মডেল স্কুলে ৬৩ জন পরীক্ষার্থী অংশগ্রহণ করে। এবারের মেরিট টেষ্টের পরীক্ষা নিয়ন্ত্রক ড. অসীম কল্যাণ ও সহকারী নিয়ন্ত্রক নজমুল ইসলাম মজুমদার এক বিবৃতিতে এ তথ্য জানিয়েছেন। তবে এবছর বিভিন্ন স্কুলে ষান্মাসিক পরীক্ষা থাকায় মেরিট টেষ্ট আয়োজনে কিছুটা বিলম্ব হয়েছে বলে তাঁরা জানিয়েছেন।





The Sentinel
*of this land, for its people*

**Assam Science Society hails PM**

A CORRESPONDENT

**DOOMDOOMA, Nov 8:** Assam Science Society, Doomdooma Branch handed over a thanks giving letter to Prime Minister Narendra Modi for according classical language status to Assamese along with two resolutions adopted at Bhaxa Gaurav Saptah celebration meeting at the office of the Doomdooma Co-District Commissioner's office on Friday.

The Bhaxa Gaurav Saptah celebration meeting was held at Lotus Academy, Doomdooma on Monday with president Dr Meena Devi Baruah in the chair.

In the beginning Secretary Dhiren Deka explained the objectives of the meeting. The meeting was addressed by Life Member, ASS and former president, Tinsukia Zila Xahitya Xabha Arjun Baruah, Principal, Lotus Academy and a member of Doomdooma Branch, ASS, Manash Kumar Dey and Dr Meena Devi Baruah. A number of teachers of the school also attended the meeting at the invitation of the ASS, Doomdooma Branch.

The meeting adopted two resolutions on thanks giving. The first one put on record its acknowledgement to those for whose contribution since 3rd and 4th century, Assamese Language was able to attain this classes status of the Government of India.

The second resolution extended its thanks to Prime Minister Narendra Modi for approving the classical status to Assamese language along with four other languages of India on October 3. The meeting came to an end with offering of vote of thanks by the secretary Dhiren Deka.

Guwahati English Edition
Nov 9, 2024 Page No. 7
Powered by: erelego.com

অসম বিজ্ঞান সমিতি, বৰপেটা শাখা আৰু নখান্দা-সেউজ সংকল্পৰ যুটীয়া উদ্যোগত আজি(17-11-2024) গছ পুলি ৰোপণ কৰা হয়।




**Morigaon Eco Club:** দেৱালীত ব্যৱহাৰ কৰা কলগছবোৰ আজি বিদ্যালয়ৰ ছাত্ৰসকলে সংগ্ৰহ কৰি প্ৰাকৃতিক খাৰ আৰু কেচুৰ আহাৰ প্ৰস্তুত কৰা মুহুত্ব।








অসম বিজ্ঞান সমিতি
কাৰ্যনিৰ্বাহক কমিটিৰ সভা (১১ সংখ্যক)
তাৰিখঃ ২২ ডিচেম্বৰ, ২০২৪
স্থানঃ মুখ্য কাৰ্যালয়, অসম বিজ্ঞান সমিতি
খানাপাৰা, গুৱাহাটী







# গণিত বিষয়ৰ বিশেষ পাঠদান



অসম বিজ্ঞান সমিতি গৌৰীসাগৰ দিখৌমুখ-শাখাৰ উদ্যোগত খনাখোকোৰা উচ্চ মাধ্যমিক বিদ্যালয়ৰ সহযোগত ২৪/১২/২০২৪ তাৰিখ মঙ্গলবাৰে বিজ্ঞান আৰু গণিত বিষয়ৰ বিশেষ পাঠদান অনুস্থিত হয়। পাঠদান কাৰ্যসূচীত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে শিৱসাগৰ বিশ্ববিদ্যালয়ৰ ড০ নৱজ্যোতি বড়া, আচিফ আলি, পল্লৱ কলিতা আৰু গৌৰীসাগৰ ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ পল্লৱী বড়াই। শাখাৰ সভাপতি প্ৰশান্ত কুমাৰ নেওগ দেৱৰ উপস্থিতিত বিদ্যালয়ৰ প্ৰধান শিক্ষক তথা শাখাৰ কাৰ্যকৰী সভাপতি হীৰেন কুমাৰ নেওগ দেৱে সমল ব্যক্তিসকলৰ পৰিচয় দাঙি ধৰাৰ লগতে আদৰণি জনায়। আজিৰ অনুষ্ঠানটিত বিজ্ঞান সমিতিৰ তৰফৰ পৰা সমল ব্যক্তিসকলক আদৰণি জনায় সম্পাদক ড০ নৱজ্যোতি বড়াই। শাখাৰ হৈ আজিৰ অনুস্থানত উপস্থিত থাকে তৃপ্তি বড়া, দুলুমনি বড়া, উত্তম দত্ত, জিতু বড়া, মৌচুমী কলিতা











Bijyan
Anusanddhan


Bijyan
Anusandhan




অসম বিজ্ঞান সমিতি আমবাগান শাখাৰ অধীনস্হ আৰ্যভট্ট বিজ্ঞান কেন্দ্ৰ লাওখোৱা ব্ল'ক সৌজন্যত আজি লাইলুৰী উচ্চ মাধ্যমিক বিদ্যালয়ত ৰাষ্ট্ৰীয় শিশু বিজ্ঞান সমাৰোহ উপলক্ষে লাওখোৱা ব্ল'কৰ বিভিন্ন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ প্ৰজেক্ট উপস্থাপন কৰে। ইয়াৰে তিনটি প্ৰজেক্ট নিৰ্বাচিত কৰি জিলা ভিত্তিক প্ৰতিযোগিতাত অংশগ্ৰহণ কৰাৰ সুযোগ লাভ কৰে





# MORIGAON BRANCH

## Bijyan Anusanddhan






















# শ্ৰদ্ধাঞ্জলি

অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন প্ৰধান সচিব, প্ৰাক্তন সভাপতি অসম তথা ভাৰতত বিজ্ঞান জনপ্ৰিয় কৰণৰ অন্যতম কান্ধাৰী আমাৰ আটাইৰে শ্ৰদ্ধাৰ ডক্তৰ অনিল কুমাৰ গোস্বামী চাৰ আৰু আমাৰ মাজত নাই ।আজি সন্ধ্যা তেখেতে শেষ নিশ্বাস ত্যাগ কৰে । ভাৰত তথা অসমে এগৰাকী সুযোগ্য সন্তানক হেৰুৱালে ।


অসম বিজ্ঞান সমিতিৰ পিতামহ স্বৰূপ ড০ অনিল কুমাৰ গোস্বামী ছাৰে যোৱা কালি সন্ধিয়া আঠ বজাত শেষ নিশ্বাস ত্যাগ কৰে। অসম বিজ্ঞান সমিতিৰ প্ৰতি তেখেতৰ আত্মীয়তা প্ৰতি গৰাকী সদস্যই জনে গভীৰ ভাৱে উপলব্ধি কৰে। ছাৰৰ বিভিন্ন পৰামৰ্শৰে আমি আগবাঢ়ি আহিছো। । যোৱা কালিৰ পৰা দুয়ো গৰাকী বিজ্ঞ মহান ব্যক্তিৰ কথোপকথন ৰাইজে Planetarium ASTEC. Science Centre. আদি দেখা পাইছে I



ডক্টৰ অনিল কুমাৰ গোস্বামী চাৰ লৈ শেষ শ্ৰদ্ধাঞ্জলি,গুৱাহাটীৰ প্লেনেটৰীয়ামত

ছাৰক লৈ আমি সকলোৱে গৌৰৱ কৰো । ছাৰ সদায় আমাৰ মাজত থাকিব। তেখেতৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা জনাইছো🙏 লগতে পৰিয়ালৰ সকলোলৈ সমবেদনা জ্ঞাপন কৰিছো






অসম বিজ্ঞান সমিতিৰ প্ৰাক্তন প্ৰধান সচিব, প্ৰাক্তন সভাপতি অসম তথা ভাৰতত বিজ্ঞান জনপ্ৰিয় কৰণৰ অন্যতম কান্ধাৰী, অসম বিজ্ঞান সমিতিৰ পিতামহ স্বৰূপ আমাৰ আটাইৰে শ্ৰদ্ধাৰ ডক্তৰ অনিল কুমাৰ গোস্বামী চাৰ . তেখেতৰ বিষয়ে আৰু অধিক জানো আহক।

অনিল কুমাৰ গোস্বামী অসমৰ এগৰাকী বিশিষ্ট পদাৰ্থবিজ্ঞানী, শিক্ষাবিদ আৰু প্ৰতিষ্ঠান গঢ়োতা ব্যক্তি আছিল। ১৯৩৫ চনৰ ১ জানুৱাৰীত কামৰূপ জিলাৰ বিজয়নগৰৰ খাটিয়ামাৰীত তেওঁৰ জন্ম হৈছিল। সন্মানীয় শিক্ষক স্বৰ্গীয় ভুবনেশ্বৰ গোস্বামী আৰু স্বৰ্গীয় যোগেশ্বৰী দেৱী তেওঁৰ পিতৃ-মাতৃ আছিল। তেওঁ শিক্ষাজীৱনত উৎকৃষ্ট ফলাফল দেখুৱাই ১৯৪৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মেট্ৰিক পৰীক্ষা উত্তীৰ্ণ হয় আৰু ১৯৫৫ চনত কলিকতা বিশ্ববিদ্যালয়ৰ পৰা পদাৰ্থবিজ্ঞানত এম.এছ.সি. ডিগ্ৰী লাভ কৰে। ১৯৬৭ চনত তেওঁ যুক্তৰাজ্যৰ শ্বেফিল্ড বিশ্ববিদ্যালয়ৰ পৰা ফেৰাইটছত মাইক্ৰোৱেভ শিথিলীকৰণ বিষয়ক গৱেষণাৰ বাবে পদাৰ্থবিজ্ঞানত পিএইচডি ডিগ্ৰী অৰ্জন কৰে।

ড° গোস্বামীয়ে উচ্চশক্তি পদাৰ্থবিজ্ঞান, জ্যোতিৰ্পদাৰ্থবিজ্ঞান, ৰেডিঅ' জ্যোতিৰ্বিজ্ঞান আৰু পৰিৱেশীয় ৰেডন গৱেষণা আদি বিভিন্ন ক্ষেত্ৰত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াইছিল। তেওঁ কম খৰচত সৌৰ ৰেডিঅ' টেলিস্কোপ বিকশিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছিল আৰু কেণ্ডাৰ আৰু ভূকম্পনৰ দৰে পৰিৱেশীয় বিপদ সংক্ৰান্তিত গৱেষণা কৰিছিল। অসম বিজ্ঞান আৰু প্ৰযুক্তি পৰিষদৰ (ASTEC) অধিকাৰী হৈ থকা কালত (১৯৯১-১৯৯৬) তেওঁ ইয়াক ভাৰতৰ অন্যতম শীৰ্ষ ৰাজ্যিক পৰিষদলৈ ৰূপান্তৰিত কৰিছিল। তেওঁৰ প্ৰচেষ্টাত গুৱাহাটীত আঞ্চলিক বিজ্ঞান কেন্দ্ৰ আৰু তাৰকামণ্ডল, লগতে এখন সমগ্ৰ বিজ্ঞান সংগ্ৰহালয় স্থাপন হৈছিল।

কটন কলেজৰ অধ্যক্ষ হিচাপে (১৯৯১-১৯৯৩) কাৰ্যনিৰ্বাহ কৰোঁতে ড° গোস্বামীয়ে এই প্ৰতিষ্ঠানক এক সম্পূৰ্ণ স্নাতকোত্তৰ প্ৰতিষ্ঠানলৈ উন্নীত কৰিছিল। তেওঁৰ নেতৃত্বত ১৯৯২ চনত ৰাষ্ট্ৰপতি শংকৰ দয়াল শৰ্মাই কটন কলেজক "শ্ৰেষ্ঠত্বৰ কেন্দ্ৰ" (Centre of Excellence) হিচাপে ঘোষণা কৰিছিল। তেওঁৰ নিৰ্দেশনাত ৰেডিঅ' জ্যোতিৰ্বিজ্ঞান কেন্দ্ৰ আৰু ফাৰাডে দ্বিশতবাৰ্ষিক উদ্যান স্থাপন কৰা হৈছিল।

ড° গোস্বামীৰ সাফল্য বিভিন্ন সন্মানেৰে স্বীকৃত হৈছিল, য'ত ১৯৯৬ চনত ৰয়েল এষ্ট্ৰনমিকেল ছ'চাইটিৰ ফেলো (FRAS) হিচাপে নিৰ্বাচন আৰু ২০১৯ চনত অসম ডাউন টাউন বিশ্ববিদ্যালয়ৰ পৰা সন্মানীয় ডি.এছ.চি. (ডক্টৰ অফ চাইন্স) প্ৰদান কৰা হৈছিল। তেওঁ বিভিন্ন বৈজ্ঞানিক সংস্থা আৰু সমিতিত সক্ৰিয় ভূমিকা পালন কৰিছিল, যেনে— পৰিকল্পনা আয়োগৰ বিজ্ঞান আৰু প্ৰযুক্তি খণ্ড আৰু "ভাৰত জন বিজ্ঞান যাত্ৰা"ৰ জৰিয়তে সাধাৰণ লোকৰ মাজত বিজ্ঞান সচেতনতা বৃদ্ধিৰ কাম কৰিছিল।

২০২৪ চনৰ ২৭ ডিচেম্বৰত, ৯২ বছৰ বয়সত ড° অনিল কুমাৰ গোস্বামীৰ মৃত্যু হয়। তেওঁ অসম আৰু ইয়াৰ বাহিৰত বিজ্ঞান আৰু শিক্ষাৰ ক্ষেত্ৰত এক অমৰ অৱদান ৰাখি গৈছে।

-নিৰোদ কুমাৰ বৰা

# Awarness Campaign

# Garmarah Bird Festival to be held next year

## Wetland to be developed into eco-tourism site

**CORRESPONDENT**

DERGAON, Dec 29: Leading nature organization Aashray and the Dergaon branch of Assam Science Society, in association with Neheru ME School, jointly organized an awareness meeting on the conservation of the Garmarah wetland and the birds that visit the wetland situated 8 km off Dergaon town today.

It may be mentioned that the Garmarah area, with the wetland and other flora and fauna, has every potential of a site of eco-tourism. The birds, including migratory birds, make the place a source of aesthetic beauty.

Aashray's president, Sochi Kr Gohain chaired the meeting, moderated by the Aashray and Dergaon Science Society (DSS) secretary, Dr Sanjoy Kr Hazarika. Explaining the meeting's objectives, the secretary said that steps in the light of conservation are the need of the hour for the future of the Garmarah wetland and its birds.

In his approach paper on the issue, DSS executive member Rajen Pujari explained the need to conserve the Garmarah wetland. Retired associate professor of Botany at DKD College Bijit Ranjan Saikia, retired principal of Kuralguri HS School and retired teacher of Dergaon Girls' HS School Pratap Ch Konoloi delivered their speeches as the appointed speakers.

Addressing the gathering, the Dergaon Co-district Commissioner (CDC) Damodar Barman assured the meeting that he would extend his cooperation in the interests of the wetland and its birds. The CDC also urged the residents to act as watchdogs; otherwise, the conservation of flora and fauna cannot be successful only by enforcing the law of the land.

Similarly, Fishery development officer Arunima Deka observed that the local fish have become extinct due to pollution and other issues. In this regard, the local people near a water body should be strictly vigilant for any poisoning or other negative impacts.

School Managing Committee president Devakanta Barua, HM Jiten Ch Ravidas, senior citizen Deheswaar Bora, and nature activist Manoj Hazarika addressed the meeting.

The meeting started with a song by Padumi Ravidas and her companions and ended with the resolutions taken by the members present.

The resolutions adopted in the meeting included organizing a birds festival at Garmarah from next year, plantation by the road-cum-embankment at Garmarah, abolishing the lessy system of the wetland, setting up three/four bird observation towers, arrangement of police-forest patrolling, controlling the selling of pesti-




Dergaon Co-district Commissioner Sjt. Damodar Barman Sir addressing the gathering of our programme organised by Dergaon Branch of Assam Science Society in association with AASHRAY on Sunday.

**ORDER BY THE GOVERNOR**
**NOTIFICATION**

Dated Dispur, the 30th December, 2024

**No. E-400627/50:** In the interest of public service and in order to recognize the yeoman services rendered by Birubala Rabha, a renowned social reformer, who left for her heavenly abode on 13th May, 2024, the Governor of Assam is pleased to declare that henceforth, the **13th day of May** every year will be observed as the '**Day against Superstitious Beliefs**' in Assam.

# ডিব্রুগড় শাখা

অসম বিজ্ঞান সমিতিৰ ডিব্রুগড় শাখাৰ উদ্যোগত ডি এইচ এচ কে মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত হয় জয়শ্ৰী মেধি সোঁৱৰণী প্ৰাইজ মানি প্ৰতিযোগীতা.....










## Moran Branch





# Letter to Editor.....

# সম্পাদকলৈ চিঠি

## আপোনালোকৰ প্ৰশ্ন অথবা পৰামৰ্শ আমালৈ চমুকৈ লিখি পঠিয়াওক।

Write any comment and good suggestion to :

Email : bigyanbarta@gmail.com

WhatsApp: 60013-99315

# জাতীয় বিজ্ঞান পুঁজি

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

অসম বিজ্ঞান সমিতিৰ 54 সংখ্যক দুলীয়াজানৰ অধিবেশনত সমিতি আৰ্থিক ভাৱে স্বাৱলম্বী হোৱাৰ বাবে "জাতীয় বিজ্ঞান পুঁজি" নামেৰে এটি পুঁজি গঠনৰ প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। তাৰেই ভিত্তিত কাৰ্যনিৰ্বাহক সমিতিয়ে সমিতিৰ কাৰ্যকৰী সভাপতিক(কুটুবুদ্দিন আহমেদ) সভাপতি আৰু প্ৰদীপ নেওঁগ আৰু অবনী দাসক আহ্বায়ক ৰূপে নিৰ্বাচিত কৰি এখন সমিতি গঠন কৰে।সমিতি খনৰ তৎপৰতাত ওপৰত উল্লেখ কৰা ধৰণে এটি একাউণ্ট খোলা হৈছে।
গতিকে ইচ্ছুক সদস্য ক বৰঙণি আগবঢ়াবলৈ অনুৰোধ জনালোঁ।উল্লেখযোগ্য যে এই পূজিত আগবঢ়োঁৱা ধন আয়কৰ মুক্ত হব।
ইতিমধেই সন্মানীয় সদস্য সকলে দান আগবঢ়াইছে।

আশাকৰো সমিতিৰ সন্মানীয় সদস্য সকলে সহযোগিতা আগবঢ়াব।



ধন্যবাদেৰে
মৃণাল কুমাৰ হাজৰিকা
প্ৰধান সচিব
অ বি স

# Jatiya Bigyan Punji

SOCIETY ASSAM SCIENCE
CENTRAL BANK OF INDIA
SIXMILE BRANCH
A/C NO. 5605774347
IFC CODE : CBIN0284213

In the 54th Duliajan session of the Assam Science Society, a proposal was adopted to set up a fund called **"Jatiya Bigyan Punji "** to make the Society financially self-reliant. On the basis of this, the Executive Committee formed a committee by electing the executive president of the committee (Kutubuddin Ahmed) as the president and Pradeep Neog and Abani Das as the convener. An account has been opened as mentioned above in the promptness of the committee.
So I request the interested members to contribute. It is worth mentioning that the money offered in this Fund will be free from income tax.
It has already been donated by the esteemed members.

I hope the honourable members of the committee will cooperate.

With thanks
Mrinal Kumar Hazarika
General Secretary
Assam Science Society